**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-05-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি স্বাস্থ্য আৰু চিকিৎসা শিক্ষা বিভাগৰ সংশ্লিষ্ট বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত অংশ লয়। বৈঠকত প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত একোখনকৈ বি এছ চি নাৰ্ছিং মহাবিদ্যালয় স্থাপনৰ পৰিকল্পনা, ৰবটিক অস্ত্ৰোপচাৰ আৰু বৃক্ক সংৰোপন সুবিধা সম্প্ৰসাৰণৰ বিষয়ে আলোচনা কৰা হয়। স্বাস্থ্য সুৰক্ষা আৰু চিকিৎসা সম্পৰ্কীয় তথ্য বিশ্লেষণত কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ বৃদ্ধি, ৰাষ্ট্ৰীয় চিকিৎসালয় আৰু স্বাস্থ্য সেৱা প্ৰদানকাৰীৰ স্বীকৃতি পৰিষদ আৰু ৰাষ্ট্ৰীয় পৰীক্ষণ তথা মান নিৰ্ধাৰণ পৰীক্ষাগাৰৰ স্বীকৃতি পদক্ষেপ, স্বাস্থ্য সুৰক্ষা আঁচনিৰ অধীনত ২ কোটি ৩১ লাখতকৈ অধিক নাগৰিকলৈ আয়ুষ্মান কাৰ্ডৰ সুবিধা প্ৰদান, পথ দুৰ্ঘটনাৰ বলি হোৱা লোকসকলৰ বাবে প্ৰধানমন্ত্ৰী ৰাহত আঁচনিৰ অধীনত ডেৰ লাখ পৰ্যন্ত সাহায্য প্ৰদানৰ বিষয় লৈ  বৈঠকত আলোচনা কৰা হয়। অসম কেন্সাৰ পৰিচৰ্যা ফাউণ্ডেছনৰ অধীনত নিৰ্মীয়মান ৪ খন কৰ্কট ৰোগৰ চিকিৎসালয় আৰু এচিষ্ট প্ৰকল্প আৰু কৰ্কট ৰোগৰ উন্নত পৰিচৰ্যা পদক্ষেপৰ বিষয়কেইটাও আলোচনাত আগস্থান লাভ কৰে।

০০০

যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন ২১ মে'ৰ পৰা অনুষ্ঠিত হ'ব। অধিৱেশনৰ প্ৰথম দিনা অস্থায়ী অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীয়ে নৱনিৰ্বাচিত বিধায়কসকলক শপতবাক্য পাঠ কৰাব।  অধিবেশনৰ সময়ছোৱাত সদনৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনাৰ বাবে মন্ত্ৰী অতুল বৰাক সংসদীয় পৰিক্ৰমা বিভাগৰ অতিৰিক্ত দায়িত্ব অৰ্পন কৰা হৈছে।

০০০০০

ৰাজ্য চৰকাৰে অসম চুক্তি ৰূপায়ণ বিভাগৰ কামকাজৰ অগ্ৰগতিত গুৰুত্ব আৰোপ কৰিছে আৰু শীঘ্ৰেই এই সম্পৰ্কীয় কামকাজ ত্বৰান্বিত কৰা হ'ব। মন্ত্ৰী অতুল বৰাই আজি নতুন বিভাগৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত এই কথা সদৰি কৰে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, আৱকাৰী, সীমান্ত সুৰক্ষা আৰু উন্নয়ন তথা অসম চুক্তি ৰূপায়ণ দপ্তৰৰ দায়িত্ব লাভ কৰা মন্ত্ৰীগৰাকীয়ে আজি আটাইকেইটা বিভাগৰে কামকাজ পৰ্যালোচনা কৰাৰ বাবে প্ৰথমখন বৈঠকত মিলিত হয়। তেওঁ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনি আৰু কাৰ্যসূচীৰ স্থিতিৰ বিষয়ে বুজ লয়। আত্মসহায়ক গোটসমূহৰ প্ৰচেষ্টাত ৰাজ্যজুৰি প্ৰায় ৯ লাখ মহিলা লাখপতি বাইদেউলৈ পৰিণত হোৱাটো ইতিবাচক দিশ বুলি তেওঁ উল্লেখ কৰে। এই সন্দৰ্ভত সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে এইদৰে কয়-

(বাইট)

০০০

অসম সাহিত্য সভাৰ সভাপতিৰ বিশেষ সাহিত্য সন্মান ২০২৫ আজি গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ সাহিত্যচাৰ্য্য লক্ষ্মীৰাম বৰুৱা সদনত প্ৰদান কৰা হয়। ধেমাজীৰ বিশিষ্ট গৱেষক, পণ্ডিত, লেখক, চিত্ৰকৰ, ড০ পুষ্প গগৈ, ডিব্ৰুগড়ৰ বিশিষ্ট চাহ খেতিয়ক তথা সাহিত্যিক দেৱী প্ৰসাদ বাগ্ৰোদিয়া, গুৱাহাটীৰ বিশিষ্ট সাহিত্যিক তথা জ্যেষ্ঠ সাংবাদিক জিতুমণি বৰা, নগাওঁৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট লেখক, গৱেষক, সমালোচক আৰু সাংবাদিক উপেন্দ্ৰ বৰকটকী আৰু বঙাইগাওঁ জিলাাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, বিশিষ্ট লেখক, আৰু গৱেষক নোমল মাহাত্তাক আজি এই সন্মান প্ৰদান কৰা হয়। অনুষ্ঠানত দিয়া ভাষণত সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে কয় যে শব্দৰ জগতখনত বিভিন্ন শব্দৰ মাজৰ পৰা বাচনি কৰি এটা বাক্য প্ৰকাশ কৰিলেহে প্ৰৱন্ধ বা কবিতাই পূৰ্ণতা লাভ কৰিবলৈ সমৰ্থ হয়। অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ তথা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ভৱেন্দ্ৰ নাথ ডেকাৰ লগতে অসম সাহিত্য সভাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। ০০০

০০০

ৰাজ্যৰ বিভিন্ন অংশত আজি বিমান আক্ৰমণৰ সময়ত বা যুদ্ধকালীন পৰিস্থিতিত নিজক ৰক্ষা কৰাৰ বাবে লবলগীয়া সাৱধানতাৰ অনুশীলন অনুষ্ঠিত হয়। ধুবুৰীত অসামৰিক প্ৰতিৰক্ষা, অগ্নি আৰু জৰুৰীকালীন সেৱাৰ সহযোগত আজি এনে অনুশীলন চলোৱা হয়। জৰুৰীকালীন চাইৰেনৰ শব্দৰে অনুশীলন আৰম্ভ হয় আৰু পাছত অগ্নি নিৰ্বাপক বাহিনীৰ কৰ্মীসকলে বিমান আক্ৰমণৰ ফলত লগা জুই নিয়ন্ত্ৰণৰ অনুশীলন প্ৰদৰ্শন কৰে। অসামৰিক প্ৰতিৰক্ষাৰ কৰ্মীসকলে আহতসকলক ষ্ট্ৰেছাৰেৰে কঢ়িয়াই নিৰাপদ স্থানলৈ লৈ যায় আৰু প্ৰাথমিক চিকিৎসা প্ৰদান কৰে। আশ্ৰয় স্থল হিচাপে স্থাপন কৰা অস্থায়ী শিবিৰৰ পৰা এম্বুলেন্সেৰে পৰৱৰ্তী চিকিৎসালয়লৈ লৈ যোৱা হয়।

ডিব্ৰুগড় জিলাত প্ৰশাসন আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উদ্যোগত কল ৰোড এলেকাত এনে অনুশীলনৰ আয়োজন কৰা হয়। সন্ধিয়া চাৰে ছয় বজাৰ পৰা চাৰে সাত বজালৈ অনুষ্ঠিত এই অনুশীলনৰ জৰিয়তে চৰকাৰী বিভাগসমূহৰ কাৰ্যদক্ষতাৰ পৰীক্ষা আৰু জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টি কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে সন্ধিয়া চাৰে ছয় বজাত প্ৰথমটো বিপদ সংকেতৰ চাইৰেন বাজি উঠাৰ লগতে ৰাইজক ঘৰৰ বৈদ্যুতিক চুইছসমূহ বন্ধ কৰি নিৰাপদ স্থানত আশ্ৰয় লবলৈ কোৱা হয়।

০০০

ৰাজ্যত মাদক দ্ৰব্যৰ বিৰুদ্ধে অভিযান অব্যাহত আছে। আৰক্ষীয়ে আজি এনে অভিযানৰ অধীনত ২৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত লাহৰিজানৰ চিক্স মাইলত অভিযান চলাই ডিমাপুৰৰ পৰা দিল্লাই অভিমুখী এখন বাহনৰ পৰা ৯ কিলোগ্ৰামৰো অধিক ভাং জব্দ কৰে। ভাংখিনি ১০ টা পেকেটত লুকাই অনা হৈছিল। এই সংক্ৰান্তত এজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০

বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অধীনৰ কলগাছিয়া আৰু দিগজানিৰ দুটা স্থানৰ পৰা অবৈধভাৱে মজুত কৰি ৰখা ১১০টা ৰন্ধন গেছৰ চিলিণ্ডাৰ জিলাখনৰ অসামৰিক যোগান বিভাগে আজি জব্দ কৰে। বিভাগে দিগজানিৰ ছাহাবুদ্দিন নামৰ এজন লোকৰ ঘৰত ৮২টা আৰু কলগাছিয়া বজাৰৰ ছফিকুল ইছলাম নামৰ এজন লোকৰ দোকানৰ পৰা ২৮টা চিলিণ্ডাৰ জব্দ কৰে। আৰক্ষীয়ে দুয়োজনকে আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে।

০০০

ঃঃ সমাপ্ত ঃঃ